Total number of printed pages–20

**3 (Sem–2/CBCS) POL HG/RC 1/2/3**

**2025**

**POLITICAL SCINENCE**

(Honours Generic/Regular Course)

Paper : POL–HG/RC–2016/2026/2036

**OPTION–A**

Paper : POL–HG/RC–2016

***( Indian Government and Politics )***

**OPTION–B**

Paper : POL–HG/RC–2026

***( Feminism : Theory and Practice )***

**OPTION–C**

Paper : POL–HG/RC–2036

***( Local Rural and Urban governance )***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

*Answer* ***either*** *in English* ***or*** *in Assamese.*

B03FA 0092 *Contd.*

## OPTION–A

Paper : POL–HG/RC–2016

**(*Indian Government and Politics*)**

1. Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ লিখা :

(a) When did Mahatma Gandhi wrote the book, *Hind Swaraj*?

মহাত্মা গান্ধীয়ে কেতিয়া *Hind Swaraj* গ্ৰন্থখন লিখিছিল?

(b) Which part of the Indian Constitution deals with Directive Principles of State Policy?

ভাৰতীয় সংবিধানৰ কোনটো অংশ ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিৰ লগত জড়িত?

(c) Are Fundamental Rights justiciable? *(Write Yes or No)*

মৌলিক অধিকাৰসমূহ বিচাৰযোগ্য নে?

*(হয় নে নহয় লিখা)*

(d) The idea of Directive Principles of State Policy was taken from America/Ireland/England constitution. *(Choose the correct answer)*

ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিৰ আদৰ্শটো আমেৰিকা/আয়াৰলেণ্ড/ইংলেণ্ড সংবিধানৰ পৰা লোৱা হৈছে।

*(শুদ্ধ উত্তৰটো বাছি উলিওৱা)*

(e) Which is the Permanent Chamber of the Parliament?

সংসদৰ কোনখন সদন স্থায়ী?

(f) Who is the ex-officio Chairman of the Rajya Sabha?

ৰাজ্যসভাৰ পদেন সভাপতি কোন?

(g) Who presides over the Joint Session of the Parliament?

সংসদৰ যুটীয়া অধিৱেশনত কোনে সভাপতিত্ব কৰে?

(h) English word 'Caste' comes from ______ language. *(Fill in the blank)*

ইংৰাজী 'Caste' শব্দটো ______ ভাষাৰ পৰা আহিছে। *(খালী ঠাই পূৰণ কৰা)*

(i) Write the full form of GST.

GST ৰ সম্পূৰ্ণ ৰূপটো লিখা।

(j) When did NITI Aayog was formed?

নীতি আয়োগ কেতিয়া গঠন কৰা হৈছিল?

2. Answer the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) Name *two* approaches to the study of the Indian politics.

ভাৰতীয় ৰাজনীতি অধ্যয়নৰ *দুটা* দৃষ্টিভংগীৰ নাম লিখা।

(b) Write *two* features of the Fundamental Rights.

মৌলিক অধিকাৰৰ *দুটা* বৈশিষ্ট্য লিখা।

(c) Mention *two* difference between Caste and Class.

জাতি আৰু শ্ৰেণীৰ মাজৰ *দুটা* পাৰ্থক্য উল্লেখ কৰা।

(d) Write *two* characteristics of Patriarchy.

পিতৃতন্ত্ৰৰ *দুটা* বৈশিষ্ট্য লিখা।

(e) Write the names of the *two* leaders of women's movements in India.

ভাৰতবৰ্ষৰ মহিলা আন্দোলনৰ দুগৰাকী নেত্ৰীৰ নাম লিখা।

3. Write short notes on ***any four*** of the following : 5×4=20

তলত দিয়াবোৰৰ *যিকোনো চাৰিটাৰ* ওপৰত চমু টোকা লিখা :

(a) T*wo* Directive Principles of State Policy

ৰাষ্ট্ৰ পৰিচালনাৰ *দুটা* নিৰ্দেশাত্মক নীতি

(b) Indian Constitution as partly rigid and partly flexible

ভাৰতীয় সংবিধান আংশিকভাৱে নমনীয়, আৰু আংশিকভাৱে অনমনীয়

(c) Judicial Activism

ন্যায়িক সক্ৰিয়তা

(d) Prime Minister as a leader of the Cabinet

মন্ত্ৰীসভাৰ নেতা হিচাপে প্ৰধান মন্ত্ৰী

(e) 6th Schedule of Indian Constitution

ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচী

(f) Composition of State Legislative Council

ৰাজ্যিক বিধান পৰিষদৰ গঠন

4. Answer ***any four*** of the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ *যিকোনো চাৰিটাৰ* উত্তৰ দিয়া :

(a) Discuss the liberal approach to the study of the nature of Indian State.

ভাৰত ৰাষ্ট্ৰৰ প্ৰকৃতি অধ্যয়নৰ উদাৰবাদী দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰা।

(b) Do you think that Directive Principles of State Policy is of no importance? Give reasons for the answer.

ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহ গুৰুত্বহীন বুলি তুমি ভাবানে? কাৰণ দৰ্শাই উত্তৰ দিয়া।

(c) Which Chamber of the Indian Parliament is more powerful? Discuss with arguments.

ভাৰতীয় সংসদৰ কোনখন সদন বেছি ক্ষমতাশালী? যুক্তি সহকাৰে আলোচনা কৰা।

(d) Discuss the importance of caste system in Indian politics.

ভাৰতীয় ৰাজনীতিত জাতিৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

(e) What is communalism? Discuss the means for the removal of communalism in India. 3+7=10

সাম্প্ৰদায়িকতাবাদ কি? ভাৰতবৰ্ষত সাম্প্ৰদায়িকতাবাদ ৰোধৰ উপায়সমূহৰ বিষয়ে আলোচনা কৰা।

(f) What is secularism? Discuss the role of secularism in Indian politics. 3+7=10

ধৰ্মনিৰপেক্ষতাবাদ কি? ভাৰতবৰ্ষৰ ৰাজনীতিত ধৰ্মনিৰপেক্ষতাবাদৰ ভূমিকা আলোচনা কৰা।

(g) What is political party? Discuss the role of opposition party in Indian political system. 3+7=10

ৰাজনৈতিক দল কি? ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাত বিৰোধী দলৰ ভূমিকা আলোচনা কৰা।

(h) Discuss the role of Planning Commission in economic development of India.

ভাৰতবৰ্ষৰ অৰ্থনৈতিক উন্নয়নত পৰিকল্পনা আয়োগৰ ভূমিকা আলোচনা কৰা।

---

## OPTION – B

Paper : POL–HG/RC–2026

***( Feminism : Theory and Practice )***

1. Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া :

(a) Who wrote the book, *The Feminine Mystique*? *(Choose the correct answer)*

*The Feminine Mystique* শীৰ্ষক গ্ৰন্থখন কোনে লিখিছিল? *(শুদ্ধ উত্তৰটো বাছি উলিওৱা)*

(i) Virginia Wolf

ভাৰ্জিনিয়া উল্ফ

(ii) Simone de Beauvoir

চিম' দি বুভ'ৰা

(iii) Betty Friedan

বেটি ফ্ৰেদান

(b) 'Personal is Political' is the slogan popularised by

‘ব্যক্তিগতই ৰাজনৈতিক’ শীৰ্ষক শ্লোগানটো জনপ্ৰিয় কৰিছে–

(i) Liberal Feminists

উদাৰতাবাদী নাৰীবাদী সকলে

(ii) Radical Feminists

উগ্ৰনাৰীবাদী সকলে

(iii) Socialist Feminists

সমাজবাদী নাৰীবাদী সকলে

*(Write the correct option)*

*(শুদ্ধ বিকল্পটো লিখা)*

(c) Write one feature of the First Wave of Feminism.

নাৰীবাদৰ প্ৰথমটো ঢৌৰ এটা বৈশিষ্ট্য লিখা।

(d) State one difference between Sex and Gender.

জৈৱিক লিংগ আৰু সামাজিক লিংগৰ এটা পাৰ্থক্য লিখা।

(e) According to the Beijing Declaration ‘household responsibility is a shared responsibility’. *(Write True or False)*

‘বেইজিং ঘোষণাপত্ৰ’ মতে ‘গৃহ দায়িত্ব যৌথ দায়িত্ব’।

*(সঁচা নে মিছা লিখা)*

(f) Name one unpaid work of women.

মহিলাৰ এবিধ অ-মজুৰিকৃত কৰ্মৰ নাম লিখা।

(g) What is the percentage of seats reserved for women in the Lok Sabha and the State Legislative Assemblies according to the Women's Reservation Act, 2023?

মহিলা সংৰক্ষণ আইন, ২০২৩ মতে লোকসভা আৰু ৰাজ্যিক বিধানসভাসমূহত মহিলাৰ কাৰণে সংৰক্ষিত আসনৰ শতাংশ কিমান?

(h) Name one community of North-East India that practice matrilineality.

উত্তৰ-পূৱ ভাৰতৰ মাতৃবংশ অনুশীলন কৰা এটা সম্প্ৰদায়ৰ নাম লিখা।

(i) Mention one problem faced by female-headed households.

নাৰী মুৰব্বী পৰিয়ালসমূহে সন্মুখীন হোৱা এটা সমস্যা উল্লেখ কৰা।

(j) Name one women's issue raised by the feminists during the anti-Colonial Movement in India.

ভাৰতবৰ্ষত ঔপনিবেশিকতাবাদ বিৰোধী আন্দোলনৰ সময়ত নাৰীবাদী সকলে উত্থাপন কৰা মহিলাৰ এটা সমস্যা লিখা।

2. Answer the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) Write *two* features of gender.

সামাজিক লিংগৰ *দুটা* বৈশিষ্ট্য লিখা।

(b) Write *one* similarity and *one* dissimilarity between Socialist and Marxist feminism.

সমাজবাদী আৰু মাৰ্ক্সবাদী নাৰীবাদৰ মাজৰ *এটা* মিল আৰু *এটা* অমিল লিখা।

(c) Mention *two* contributions of the Feminist Movement in France.

ফ্ৰান্সৰ নাৰীবাদী আন্দোলনৰ *দুটা* অৱদান উল্লেখ কৰা।

(d) Mention *two* social reform demands related to women's issues in India during the Colonial period.

ঔপনিবেশিক শাসনৰ সময়ত ভাৰতবৰ্ষৰ মহিলাসকলৰ লগত জড়িত বিষয়ৰ ওপৰত সমাজ সংস্কাৰৰ *দুটা* দাবী উল্লেখ কৰা।

(e) Mention *two* problems faced by the traditional family structure in contemporary India.

সাম্প্রতিক ভাৰতবৰ্ষত পৰম্পৰাগত পৰিয়াল গাঁঠনিয়ে সম্মুখীন হোৱা *দুটা* সমস্যা উল্লেখ কৰা।

3\. Write short notes on ***any four*** of the following : 5×4=20

তলত দিয়াবোৰৰ ***যিকোনো চাৰিটাৰ*** ওপৰত চমু টোকা লিখা :

(a) Sex and gender issue in India

ভাৰতবৰ্ষত জৈৱিক লিংগ আৰু সামাজিক লিংগৰ সমস্যা

(b) Feminism in India

ভাৰতবৰ্ষত নাৰীবাদ

(c) Social reform movements and women's issues during Colonial period in India

ভাৰতবৰ্ষত ঔপনিবেশিক সময়ৰ সমাজ সংস্কাৰ আন্দোলনসমূহ আৰু নাৰীৰ সমস্যাসমূহ

(d) Social constructivist theory of gender

লিংগৰ সামাজিক সংৰচনা তত্ত্ব

(e) Women's right to property and entitlement

মহিলাৰ সম্পত্তিৰ অধিকাৰ আৰু প্ৰাপ্যতা

(f) Sexual division of labour

শ্ৰমৰ লিংগ বিভাজন

4. Answer ***any four*** of the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ *যিকোনো চাৰিটা* উত্তৰ লিখা :

(a) Discuss the various faces of feminism.

নাৰীবাদৰ বিভিন্ন পৰ্য্যায়সমূহ আলোচনা কৰা।

(b) Critically discuss about the radical feminism.

উগ্ৰনাৰীবাদৰ সম্পৰ্কে সমালোচনামূলকভাৱে আলোচনা কৰা।

(c) Discuss patriarchy as a structure and as an ideology.

পুৰুষতন্ত্ৰক এটা গাঁঠনি আৰু মতাদৰ্শ হিচাপে আলোচনা কৰা।

(d) Discuss feminism in socialist countries with special reference to the China.

চীনদেশৰ বিশেষ উল্লেখনসহ সমাজবাদী দেশসমূহত নাৰীবাদ সম্পৰ্কে আলোচনা কৰা।

(e) Highlight on the rise of feminism in India during the Colonial period.

ঔপনিবেশিক সময়চোৱাত ভাৰতবৰ্ষত নাৰীবাদৰ উত্থানৰ ওপৰত আলোকপাত কৰা।

(f) What is the role and significance of patriarchy in determining gender relations within family? Discuss.

পৰিয়ালত লিংগ সম্পৰ্ক নিৰ্ধাৰণত পুৰুষতন্ত্ৰৰ ভূমিকা আৰু তাৎপৰ্য্য কি? আলোচনা কৰা।

(g) Distinguish between visible and invisible work of women with examples.

মহিলাৰ দৃশ্যমান আৰু অদৃশ্যমান কৰ্মসমূহৰ উদাহৰণ সহকাৰে পাৰ্থক্য দেখুওৱা।

(h) What do you mean by paid and unpaid work? Discuss the difficulties for computing unpaid work of women. 4+6=10

মজুৰিকৃত আৰু অমজুৰিকৃত কৰ্ম বুলিলে কি বুজা? মহিলাৰ কৰ্মৰ গণনাকৰণ পদ্ধতিৰ অধিকাৰসমূহ আলোচনা কৰা।

## OPTION – C

Paper : POL–HG/RC–2036

***( Local Rural and Urban Governance )***

1. Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ লিখা :

*(a)* From which word the word 'Panchayat' is derived ?

'পঞ্চায়ত' শব্দটো কোন শব্দৰ পৰা লোৱা হৈছে?

*(b)* In which year was the 73rd Amendment of the Indian Constitution adopted ?

ভাৰতৰ সংবিধানৰ ৭৩তম সংশোধনী কোন চনত গ্ৰহণ কৰা হৈছিল?

*(c)* Who is the Head of Nagar Panchayat ?

নগৰ পঞ্চায়তৰ মুৰব্বী কোন?

*(d)* In which year was Balwant Ray Mehta Committee appointed by the Government of India ?

ভাৰত চৰকাৰে কোন চনত বলৱন্ত ৰায় মেহতা কমিটি গঠন কৰিছিল?

(e) In which year the PESA Act was passed?

PESA আইন কোন চনত গৃহীত হৈছিল?

(f) In which year Guwahati Municipal Corporation was formed?

গুৱাহাটী পৌৰনিগম কোন চনত গঠন কৰা হৈছিল?

(g) All voters are the members of Gram Sabha. *(Write true or false)*

সকলো ভোটাৰেই গাওঁসভাৰ সদস্য।

*(শুদ্ধ নে অশুদ্ধ লিখা)*

(h) Who is the Chairman of the First Assam State Finance Commission?

প্ৰথম অসম ৰাজ্যিক বিত্তীয় আয়োগৰ সভাপতি কোন আছিল?

(i) Mention one recommendation of Ashok Mehta Committee.

অশোক মেহতা কমিটিৰ এটা পৰামৰ্শ উল্লেখ কৰা।

(j) State one function of the District Planning Committee.

জিলা পৰিকল্পনা কমিটিৰ এটা কাৰ্য উল্লেখ কৰা।

2. Answer the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) Write *two* qualifications of the membership of Gram Sabha.

গাওঁসভাৰ সদস্যপদৰ *দুটা* অৰ্হতা লিখা।

(b) Mention *two* objectives of the District Planning Committee.

জিলা পৰিকল্পনা কমিটিৰ *দুটা* উদ্দেশ্য উল্লেখ কৰা।

(c) Mention *two* characteristics of the 74th Constitutional Amendment Act.

সংবিধানৰ ৭৪তম সংশোধনী আইনৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(d) Write *two* functions of Nagar Panchayat.

নগৰ পঞ্চায়তৰ *দুটা* কাৰ্য লিখা।

(e) State *two* characteristics of local governance.

স্থানীয় শাসন ব্যৱস্থাৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

3. Write short notes on ***any four*** of the following : 5×4=20

তলত দিয়াবোৰৰ *যিকোনো চাৰিটাৰ* ওপৰত চমু টোকা লিখা :

(a) Functions of the Guwahati Municipal Corporation

গুৱাহাটী পৌৰনিগমৰ কাৰ্যাৱলী

(b) Anchalik Panchayat and Zilla Parishad

আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদ

(c) Differences between Gaon Panchayat and Nagar Panchayat

গাওঁ পঞ্চায়ত আৰু নগৰ পঞ্চায়তৰ মাজত থকা পাৰ্থক্য

(d) Functions of the State Finance Commission.

ৰাজ্যিক বিত্তীয় আয়োগৰ কাৰ্যাৱলী

(e) Three-tier Panchayat System

তিনি-তৰপীয়া পঞ্চায়ত ব্যৱস্থা

(f) State Election Commission

ৰাজ্যিক নিৰ্বাচনী আয়োগ

4. Answer ***any four*** of the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ *যিকোনো চাৰিটাৰ* উত্তৰ লিখা :

(a) Define Panchayati Raj. Discuss the importance of local participation in Panchayati Raj.

পঞ্চায়তীৰাজ কি? পঞ্চায়তীৰাজত স্থানীয় অংশগ্ৰহণৰ গুৰুত্ব আলোচনা কৰা।

(b) Dicsuss the main features of the 73rd Constitutional Amendment Act.

৭৩তম সংবিধান সংশোধনী আইনৰ মূল বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(c) Discuss the means for increasing participation of women in Panchayati Raj.

পঞ্চায়তীৰাজ অনুষ্ঠানত মহিলাৰ অংশগ্ৰহণ বৃদ্ধিৰ উপায়সমূহ আলোচনা কৰা।

(d) Write a note about the develpment of local governance in Colonial period.

ঔপনিবেশিক ভাৰতবৰ্ষত স্থানীয় শাসনৰ বিকাশ সম্পৰ্কে এটি টোকা লিখা।

(e) Write a note on the composition, powers and functions of Gaon Sabha.

গাওঁসভাৰ গঠন, ক্ষমতা আৰু কাৰ্যাৱলীৰ ওপৰত এটি টোকা লিকা।

(f) What are the various constitutional provisions on Panchayat Finance? Discuss.

পঞ্চায়ত বিত্ত ব্যৱস্থাৰ বাবে থকা সাংবিধানিক বিধিসমূহ কি কি? আলোচনা কৰা।

(g) Critically analyse the recommendations of Balwant Ray Mehta Committee.

বলৱন্ত ৰায় মেহতা কমিটিৰ পৰামৰ্শাৱলীৰ সমালোচনাত্মক বিশ্লেষণ কৰা।

(h) Discuss the functions and importance of the Metropolitan Planning Committee.

নগৰ পৰিকল্পনা কমিটিৰ কাৰ্যাৱলী আৰু গুৰুত্বৰ বিষয়ে আলোচনা কৰা।

---